# যীচুৰ পুনৰুত্থান

## পুনৰুত্থিত খ্ৰীষ্টৰ শৰীৰত আমাৰ স্থানে আমাক অনন্ত জীৱনৰ আশ্বাস দিয়ে।

ল'ৰা-ছোৱালীক শিক্ষা দিয়া সকলে অধ্যয়ন Elb পঢ়া উচিত।

**প্ৰাৰ্থনাঃ** “হে আমাৰ স্বৰ্গত থকা পিতৃ, আপুনি আপোনাৰ পুত্ৰ, যীচুক, আমাৰ নিমিত্তে মৰিবলৈ পঠিয়ালে। তেওঁৰ যোগেদি আমাক নতুন জীৱন দিয়া বাবে আমি আপোনাক ধন্যবাদ জনাওঁ। তেওঁক মৃত্যুৰ পৰা তোলা সময়ৰ শক্তি আৰু ক্ষমতা প্ৰকাশ কৰাত এই অধ্যয়ন ব্যৱহাৰ কৰক।”

**পুনৰুত্থানৰ সময়ৰ কেইবা সপ্তাহ আগৰে পৰা** যীচুৰ জীৱন দানৰ পুনৰুত্থান পালন কৰিবলৈ প্ৰস্তুত কৰক। যীচুৰ মৃত্যু আৰু মৃত্যুৰ ওপৰত বিজয়ী হোৱা ঘটনাবোৰ বিশ্বাসীসকলে জানিবলৈ সহায় হ'বৰ নিমিত্তে বিশেষ আঁচনি কৰা উচিত।

১। **প্ৰাৰ্থনা আৰু ঈশ্বৰৰ বাক্যৰে আপোনাৰ অন্তৰ আৰু মন যুগুত কৰক।**

যীচুৰ পুনৰুত্থানৰ ঘটনাবোৰ শুভবাৰ্ত্তা কেইখনত চাওক।

**শনিবাৰ,** যীচুৰ মৃত্যুৰ আগমুহূৰ্ত - যোহন ১২ঃ১-১১...

- যীচুৰ মৃত্যুৰ বাবে লাজাৰৰ ভনীয়েক মৰিয়মে কি যুগুত কৰিছিল।

**দেওবাৰ,** পুনৰুত্থানৰ আগত মথি ২১ঃ১-১৩...

- জখৰিয়া ৯ অধ্যায়ত আগতীয়াকৈ কি ভবিষ্যত বাণী কৰা হৈছিল যে যীচুৱে তেওঁৰ জয় যাত্ৰা সিদ্ধ কৰিলে।
- মন্দিৰৰ পৰা তেওঁ কাক খেদাইছিল।

**সোমবাৰ,** পুনৰুত্থান আগত - মাৰ্ক ১১ঃ১৫-১৮...

- যীচুৱে কি কৰিছিল যে ধৰ্ম্মীয় নেতাসকলে তেওঁ বধ কৰিবলৈ উপায় বিচাৰিছিল।

**মঙ্গলবাৰ,** পুনৰুত্থানৰ আগত মাৰ্ক ১১ঃ২৭-৩৩...

- যীচুৰ ক্ষমতাৰ প্ৰত্যাহ্বান কৰা ধৰ্ম্মীয় নেতাসকলে কিয় তেওঁ যোহন বাপ্তাইজকৰ বিষয়ে কৰা প্ৰশ্নৰ উত্তৰ দিবলৈ অমান্তি হৈছিল।

**বুধবাৰ,** পুনৰুত্থানৰ আগত কি ঘটিল চাওক...

- মাৰ্ক ১৩ঃ১-১০; ২১-২৭, তেওঁৰ পুনৰ আগমনৰ বিষয়ে যীচুৱে কি কৈছিল।
- মাৰ্ক ১৩ঃ১০, যীচু প্ৰতাপেৰে পুনৰ অহা আগেয়ে সকলো জাতিয়ে কি শুনা উচিত।
- মাৰ্ক ১৩ঃ৩২-৩৩, যীচুৰ পুনৰ আগমন কেতিয়া হ'ব কোনে জানে।

**বৃহস্পতিবাৰ,** পুনৰুত্থানৰ আগত, মাৰ্ক ১৪ঃ১২-৭২...

- নিস্তাৰ পৰ্ব্বৰ সময়ত যীচুৱে আদেশ দিয়া শাস্ত্ৰীয় বচন।
- নিজকে শোধাই দিয়াৰ তেওঁৰ মহান প্ৰাৰ্থনা।
- মহা-পুৰোহিতে খঙত কিয় তেওঁৰ হলৌ চোলা ফালিছিল।
- কোনে যীচুক অস্বীকাৰ কৰি পিছত কান্দিছিল।

**শুকুৰবাৰ,** পুনৰুত্থানৰ আগত, মাৰ্ক ১৫ অধ্যায়...

- ১-১১ পদ, যীচুৰ পৰিবৰ্ত্তে কাক মুকলি কৰা হৈছিল।
- ১২-২০ পদ, কেনেকৈ চিপাহীবিলাকে যীচুক ঠাট্টা কৰিছিল।

- ২১-৩৯ পদ, যীচুক ক্ৰুচবিদ্ধ কৰাৰ দায়িত্ব থকা এশৰ সেনাপতিয়ে অৱশেষত তেওঁৰ বিষয়ে কি কৈছিল।
- ৪০-৪৭ পদ, যীচুৰ শৰীৰ তেওঁবিলাকে কি কৰিলে।

  যোহন ৫ঃ২৪-২৯ পদত চাওক, বিশ্বাসী আৰু অবিশ্বাসী সকলক কোনে মৃত্যুৰ পৰা তুলিব।

  লূক ২৪ অধ্যায়ত চাওক ঃ

- সপ্তাহৰ কোনটি দিনত যীচু পুনৰ উঠিল (১ পদ)
- যীচুৱে কোৱা কি কথা, এগৰাকী স্বৰ্গদূতে শিষ্যবিলাকক সোঁৱৰাই দিছিল। (২-৯)
- পুনৰুত্থিত খ্ৰীষ্টে কি বৰ্ণনা কৰোতে যাত্ৰী দুজনৰ হৃদয় প্ৰজ্বলিত হৈছিল (১০-৩৫)।
- তেওঁ যে ভুত নহয় তাক কেনেকৈ যীচুৱে প্ৰমাণ কৰিলে (৩৬-৪৫)।
- কিহত তেওঁৰ সাক্ষী হ'বলৈ যীচুৱে শিষ্যবিলাকক কৈছিল (৪৬-৪৮)



পাঁচনিৰ কৰ্ম্ম ১ঃ৩ চাওক, কিমান দিনলৈ যীচুৱে তেওঁৰ শিষ্যবিলাকক দেখা দিছিল।

পাঁচনিৰ কৰ্ম্ম ১ঃ১-৯ পদত চাওক, তেওঁৰ শিষ্যবিলাকলৈ যীচুৰ অন্তিম প্ৰতিজ্ঞা।

১ কৰিন্থীয়া ১৫ অধ্যায়ত চাওক...

- যীচু মৃত্যুৰ পৰা নুঠা হ'লে, বিশ্বাসী সকলৰ আশা কি হ'লহেঁতেন (১২-২০)!
- কিয় যীচুক 'শেষ আদম' বোলা হয় (২১-২৬ আৰু ৪৫-৫০)
- কিদৰে আমাৰ নতুন শৰীৰ সম্পূৰ্ণকৈ পৃথক হ'ব (২৭-৪৪)।

পাঁচনিৰ কৰ্ম্ম ২ঃ২২-৩৬ পদত চাওক, পঞ্চাশ দিনীয়া পৰ্ব্বৰ দিনা শুভবাৰ্ত্তা ঘোষণা কৰোঁতে যীচুৰ পুনৰুত্থানত পিতৰে কি গুৰুত্ব দিছিল।

- প্ৰত্যেক বাৰে তেওঁবিলাকে খ্ৰীষ্টৰ সাক্ষ্য দিওঁতে, যীচুৰ পুনৰুত্থান যে সত্য, পাঁচনিবিলাকে তাক জোৰ দি কৈছিল। উদাহৰণবোৰ চাওক - পাঁচনিৰ কৰ্ম্ম ৩ঃ১২-২১; ৪ঃ১-৩; ১৩ঃ১৫-৪১; ১৭ঃ২-৩; ২৬ঃ১-২৩।

**২। পুনৰুত্থানৰ আগেয়ে আৰু ইয়াৰ পিছত কৰিবলগীয়া কাম কাজৰ আঁচনি সহ-কৰ্ম্মীসকলৰ লগত কৰক।**

- যীচুৰ পুনৰুত্থান আৰু ইয়াত আমাৰ ভাগ লোৱাৰ বৰ্ণনা কৰিবলৈ বন্ধু-বান্ধৱ আৰু পৰিয়ালবৰ্গক পৰিদৰ্শন কৰক।
- পাঁচনিৰ কৰ্ম্ম ২২ঃ১-২২ লিখাৰ দৰে, কেনেকৈ পুনৰুত্থিত খ্ৰীষ্টে পৌলৰ জীৱন সম্পূৰ্ণৰূপে পৰিবৰ্ত্তন কৰিলে, সেই কথাৰ সাক্ষ্য দিবলৈ প্ৰতিজন বিশ্বাসীক সহায় কৰক।

  পুনৰুত্থানৰ বিশেষ দেওবৰীয়া উপাসনাৰ বাবে সহ-কৰ্ম্মীসকলৰ লগত আঁচনি কৰক।

**৩। বৰ্ত্তমানৰ প্ৰয়োজনত আৰু থলুৱা ৰীতি, যি কোনো প্ৰকাৰে খাপ খুৱাকৈ কাম-কাজবোৰ বাচি লওক।**

ল'ৰা-ছোৱালীয়ে প্ৰস্তুত কৰা নাটক, পদ্য অথবা প্ৰশ্নবোৰ দেখুৱাবলৈ দিয়ক।

যীচুৰ পুনৰুত্থানলৈকে (১ ভাগ), ঘটনাবোৰৰ **পৰ্য্যালোচনা কৰক**। যীচুৰ পুনৰুত্থান, লূক (১ ভাগ), **বিস্তাৰিত বৰ্ণনা** অথবা নাটক কৰক। যীচুৰ পুনৰুত্থান, লূক ২৪ (১ ভাগ), বিস্তাৰিত বৰ্ণনা অথবা নাটক কৰক। **ব্যাখ্যা কৰক** - যীচুৰ পুনৰুত্থান কিয় অত্যন্তৰূপে গুৰুত্বপূৰ্ণ।

- এটা ঐতিহাসিক ঘটনাৰ ওপৰত ঈশ্বৰে আমাৰ অনন্ত জীৱন স্থাপন কৰিলে। যীচু মৃত্যুৰ পৰা উঠিল আৰু অনুতাপিত বিশ্বাসী সকলক তেওঁৰ শৰীৰৰ অংশৰূপে তুলিব, ইফিচীয়া ২ঃ৪-৬; ১ কৰিন্থীয়া ১২ঃ২৭ আৰু ৰোমীয়া ৬ঃ৫-১১।
- যীচুৰ পুনৰুত্থান, তেওঁৰ মৃত্যুৰ দৰে, তেওঁৰ পৰিত্ৰাণৰ কাৰ্য্যৰ এক অংশ। তেওঁৰ তেজে ক্ষমা কিনিলে। তেওঁৰ পুনৰুত্থান আৰু ইয়াত আমাৰ ভাগ লোৱাই অনন্ত জীৱনৰ নিশ্চয়তা, ১কৰিন্থীয়া ১৫ঃ১৭-২৬।
- মৃত্যুৰ পাছত, আমি ভূত অথবা পুনৰ দেহধাৰী নহ’ম। আমি খ্ৰীষ্টৰ গৌৰৱৰ সন্মুখত অনন্ত জীৱনলৈ উত্তোলিত হ’ম আৰু তেওঁক মুখা-মুখিকৈ দেখিম। প্ৰকাশিত বাক্য ২২ঃ৩-৫ আৰু ১ যোহন ৩ঃ২।

১ কৰিন্থীয়া ১৫ অধ্যায়ত (১ ম ভাগ) পোৱা মহান সত্যৰ **বৰ্ণনা কৰক**।

**মুখস্থ কৰক** ঃ যোহন ১১ঃ২৫

**প্ৰভুৰ ভোজ স্থাপন কৰিবলৈ,** আমি পিঠা খালে (প্ৰভু ভোজৰ) পুনৰুত্থিত যীচু উপস্থিত থাকে- বৰ্ণনা কৰক।

দুই বা তিনিজনীয়া **দল গঠন কৰক,** আৰু আঁচনি আৰু প্ৰাৰ্থনা কৰিবলৈ পৰস্পৰে উৎসাহিত কৰক।

Copyright 2004 © by Paul-Timothy. May be freely copied. Download from www.Paul-Timothy.net.